# PRATIBHA

A Multilingual, Multidisciplinary, Peer-Reviewed National Annual Journal

ISSN-2349-5286

Volume : VII
Issue –VII, January - 2024

WOMEN AWARENESS CELL, BIJNI COLLEGE, BIJNI
Bijni, Chirang, BTR, Assam, India

# PRATIBHA

**A Multilingual, Multidisciplinary, Peer-Reviewed National Annual Journal**

**Volume-VII, Issue-VII, January-2024**
**ISSN- 2349-5286**


© Editor-in-Chief


Email : pratibha.journal@gmail.com
Website : www.bijnicollege.ac.in



**Editorial Office:**
Address all Correspondence to:
**Dr. Gobinda Baishya**
Chief Editor, PRATIBHA
Bijni college, Bijni, Chirang, BTR, Assam, 783390
Email- gobindabaishya111@gmail.com
Mobile No.:+91 70027 11148



Cover Page: **Nayanjyoti Sarmah**

Contribution Price :
700.00 (Seven Hundred Rupee Only)

**Printed at**
**Vicky Comunication & Associates**
19, Vivekananda Path, Ulubari, Guwahati 781 007
Ph : +91 361 2970886, +91 99541 40044



## Disclaimer:

***PRATIBHA :***: Article in this Journal do not necessarily reflect the views or Policies of Bijni College or the Editorial Board of Pratibha. No article or any piece of write-up of this Journal can be Published without prior permission from the respective author or Editorial Board.

# PRATIBHA

**A Multilingual, Multidisciplinary and Peer-Reviewed National Annual Journal**

**Volume-VII, Issue-VII, January-2024**

**ISSN : 2349-5286**

**EDITORIAL BOARD**

**Patron**:
**Dr. Birhash Giri Basumatary**
Principal, Bijni College, Bijni, BTR, Assam
**Dr. Arup Sarkar**
Co-ordinator, IQAC, Bijni College, Chirang, BTR, Assam

**Editor-in-Chief** :
**Dr. Gobinda Baishya**
Assistant Professor, Dept. of Assamese, Bijni College, Bijni
Chirang, BTR, Assam

**Exucative Editors**
**Dr. Anindita Chakravarty**
Assistant Professor, Dept. of Zoology, Bijni College, Bijni, Chirang, Assam.
**Dr. Urmila Poddar**
Associate Professor, Dept. of Bengali, Bijni College, Bijni, Assam.
**Dr. Prasanta Das**
Assistant Professor, Dept. of Mathematics, Bijni College, Bijni, Chirang, BTR, Assam.
**Dr. Gwgwn Brahma Kachary**
Assistant Professor, Dept. of Bodo, Bijni College, Chirang ,BTR, Assam

## MEMBERS OF ADVISORY CUM PEER- REVIEW BOARD

- **Dr. Birhash Giri Basumatary**
  Principal,
  Bijni College, Bijni, Chirang, Assam, India
- **Prof. Dipak Kumar Roy**
  Vice Chancellor, Raiganj University, Uttar Dinajpur, West Bengal
- **Prof. Anil Boro**
  Professor, Dept. of Folklore Research & Director of Performing Arts,
  Gauhati University, Assam
- **Dr. Sk. Makbul Islam**
  Reader & Head of Dept. Bengali, & Director, Sri Jagannath Research Centre, St Paul's Cathedral Mission College, Kolkata, West Bengal
- **Prof. Pranita Devi**
  Professor, Dept. of Assamese, Gauhati University, Assam
- **Prof. Indira Boro**
  Professor & Head, Dept. of Bodo,
  Dean, Faculty of Language, Bodoland University, Kokrajhar
- **Prof. Jyotiraj Pathak**
  Principal, North Kamrup College, Baghmara, Bajali, Assam, India
- **Dr. Binita Bora Devchoudhary**
  Associate Professor, Dept. of Assamese, Bhattadev University, Borpeta, Assam
- **Dr. Amiya Sarma**
  Associate Professor, Dept. of Economics, Gauhati University, Assam
- **Dr. Parag Barman**
  Associate Professor, Dept. of Economics, Bhattadev University, Assam
- **Dr. Arabinda Rajkhowa**
  HoD, Dept. of Assamese, North Lakhimpur College (Autonomus), Lakhimpur, Assam
- **Dr. Ismail Hussain**
  Assistant Professor, Dept. of Bodo, Gauhati University, Assam
- **Dr. Nizara Hazarika**

Associate Professor, PG Deptt. of English, Sonapur College, Kamrup, Assam

- **Dr. Sumi Kalita**
  Associate Professor & HoD, Dept. of Assamese, Bodoland University, Kokrajhar, Assam
- **Dr. Manoj Kumar Deka**
  Associate Professor & HoD, Dept. of Computer Science, Bodoland University, Kokrajhar, Assam
- **Dr. Debajyoti Biswas**
  Associate Professor & HoD, Dept. of English, Bodoland University, Kokrajhar, Assam
- **Dr. Alaka Das**
  Associate Professor, Dept. of Education, Kumar Bhaskar Varma Sanskrit & Ancient Studies University, Nalbari, Assam
- **Dr. Subrat Jyoti Neog**
  Head & Associate Professor, Dept. of Assamese, Tezpur University, Assam
- **Dr. Hemanta Deka**
  Associate Professor, Dept. of Assamese, B.H College, Barpeta, Assam
- **Dr. Mamoni Baruah**
  Associate Professor, Dept. of Education,
  Madhabdev University, Narayanpur, Lakhimpur, Assam
- **Dr. Manab Medhi**
  Assistant Professor, Dept. of English, Bodoland University, Kokrajhar, Assam
- **Dr. Sulabh Chandra Das**
  Assistant Professor, Dept. of Philosophy, Bijni College, Bijni, Assam
- **Dr. Hemoprabha Saikia**
  Assistant Professor, Dept. of Chemistry, Bodoland University, Kokrajhar, Assam
- **Dr. Akshay Kumar Haloi**
  Assistant Professor, Dept. of Zoology, Bhattadev University, Bajali, Assam
- **Dr. Gunin Saikia**
  Assistant Professor, Dept. of Assamese,
  Kumar Bhaskar Barma Sanskrit And Anicient University, Nalbari, Assam
- **Dr. Saikat Maji**
  Assistant Professor, Dept. of Extension Education, Insititute of Agricultural Sciences,
  Banaras Hindu University, Varanasi, Uttar Pradesh, India
- **Dr. Bhanita Nath**
  Assistant Professor, Dept. of Assamese, Suren Das College, Hajo, Assam

# EDITORIAL

Welcome to the 7th Volume of " PRATIBHA" in which you will find 3 different language flavour a Blending of critical Articles to echo the words from the aspirants actively engaged in research based activities. Pratibha was published to provide a platform to the researchers engaged actively in various fields from different subject. The Editorial Board has been trying its level best to make this dream comes true. I Hope you will continue your support contributing your valuable research papers for the future volumes also. The website for Pratibha has been created to make it available online from its next issue . Contributors may submit their valuable research papers directly to the website. Details will be notified when it will be ready.

Thanks a lot to the contributors, Members of Advisory cum Peer-Review Board , Members of the Editorial Board without whose support it remained only a dream.

**Dr. Gobinda Baishya**
Chief Editor, PRATIBHA

# C O N T E N T S

## ENGLISH SECTION


- Echoes of Trauma and Conflict: Unraveling Northeastern Narratives in Robin S. Ngangoms poetry
  ✍ Anirban Roy 15-21
- Philosophy, Thought and Growth
  ✍ Dr. Anosh Narzary 22-28
- Towards a Social Critique of a Religious Institution: *Satra* and the Issue of Untouchability in Twentieth Century Assam
  ✍ Dr. Anupal Saikia 29-35
- Plight of Black Women : A Study of The Bluest Eye
  ✍ Archana Mandal 36-40
- A Study of the Problem of Women Employee at College level with special reference to Kokrajhar Town, BTR, Assam
  ✍ Aroti Basumatary 41-49
- Phonemes of Bodo and English: A Comparative Analysis
  ✍ Dr. Arup Sarkar 50-55
- CUSTOMARY LAWS Understanding Bodo Customs and their Practice and Prevalence
  ✍ Dr. Babul Basumatary 56-66
- Precision Agriculture : The beginning of a new era
  ✍ Barnali Saikia 67-72
- Religious Experience of Dr. S. Radhakrishnan
  ✍ Chandana Deka 73-77
- Returns to Education: A Study of Public and Private Sector Workers in Guwahati
  ✍ Debashree Kashyap 78-83
- Role of National Education Policy (NEP) 2020 in Vocational Education and Entrepreneurship Development in India
  ✍ Dr. Dhiren Deka, Mr. Gautam Kumar Baruah & Mr. Shyamal Krishna Biswas 84-91
- Depiction of Tribal Social Life and Culture in Lummer Daie's *Prithibir Hnahi*
  ✍ Dr. Dipmani Das & Dr. Arunima Bhattacharya 92-96
- Aesthetic Stage of Life in Kierkegaards Philosophy
  ✍ Eyasmin Sultana 97-99
- Inclusive Education and Role of Peers for the Education of Specially Abled Students:

A study in Higher Educational Institutions of Darrang District.
✍ Hiranmoyee Medhi 100-113

- Jirkedam and its Significance in Karbi Society
✍ Jayantajit Bordoloi 114-123
- Child Marriage Prohibition Act 2006: Special Reference to Assam
✍ Jury Gayary 124-129
- Attitude of Parents towards the Education of Girls' Child with special reference to Ohat Tea Garden of Lakhimpur District of Assam
✍ Dr. Mamoni Boruah 130-138
- The Role of Quality Education in Economic Development of India
✍ Moumita Dutta & Dipjyoti Roy 139-145
- Education for International Understanding
✍ Dr. Nandeswari Boro 146-152
- A study of Post Boro Shantal conflictand their Socio-Economic Relationship with Special Reference to Chirang District
✍ Parmol Basumatary 153-160
- Unveiling the Trends and Current Landscape of Startup Funding in India
✍ Pritam Bhardwaj 161-171
- Role of Teachers in Creating Awareness of Population Education
✍ Priyanka Roy 172-177
- A Study on Views of Class IX Students towards Mathematics with special reference to Urban 2 Cluster under Golaghat District, Assam
✍ Punendra Das & Prahelika Saikia 178-187
- Rewriting the Trauma of Partition in Siddhartha Deb's *The Point of Return* and Khushwant Singh's *Train to Pakistan*
✍ Rahul Doley 188-194
- A Study on the Importance of Reading Habits for College Students' Personal and Academic Development.
✍ Dr. Rajib Kumar Das & Dr. Anuradha Singha 195-204
- The impact of Artificial Intelligence on economic growth and development, with special reference to the Agriculture, Education, and Health sectors.
✍ Raju Das, Seema Kalita & Jyotishman Rajbongshi 205-216
- The Film - Maker Jyotiprasad
✍ Sangeeta Bhattacharjee & Alina Moshahary 217-222
- Unpaid Work: Gender Inequality and its Impact on Empowerment in India

✍ Slerin Narzary & Dr. Ranjit Basumatary 223-228
- Echo of Poet's Suffering: An Analysis of Mythical Characters in *The Wasteland*
  ✍ Sumitra Dahiya & Prof. Umed Singh 229-236
- The Impact of Artificial Intelligence on Modern Society
  ✍ Syed Jawahar Hussain 237-243
- Exploring the Influence of AI Based Tools on Student Engagement and Learning Outcomes with Reference to CHATGPT
  ✍ Veveek Thaosen 244-256

## ASSAMESE SECTION

- ৰাজবংশী ভাষাঃ এক সমীক্ষাত্মক অধ্যয়ণ
  ✍ ড° আজিজুৰ ৰহমান 259-266
- অসমৰ টেটোন শ্ৰেণীৰ সাধুকথা ঃ নিংনি ভাৰৰীয়াৰ সাধুকথাৰ বিশেষ উল্লিখনসহ
  ✍ ড° উপেন ৰাভা হাকাচাম, ব্ৰজেন বৈশ্য 267-276
- নৰকান্ত বৰুৱাৰ শিশু সাহিত্য ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
  ✍ ড° কবিতা ডেকা 277-283
- জয়ন্ত মাধৱ বৰাৰ 'মৃগয়া' উপন্যাসত চাহ-জনগোষ্ঠীৰ জীৱন চিত্ৰ
  ✍ ড° কল্পনা পাঠক তালুকদাৰ, হিৰুমণি তহবিলদাৰ 284-289
- নিষ্ঠুৰতাৰ এক ভয়াবহ চিত্ৰ দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'জংগম'
  ✍ ড° কৰুণা পাঠক 290-294
- শংকৰদেৱৰ 'মন মেৰি ৰামচৰণহি লাগু' বৰগীতটিত ভক্তিৰসৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
  ✍ কাশ্মিৰী দাস 295-298
- হোমেন বৰগোহাঞিদেৱৰ 'ভয়' গল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
  ✍ কৃষ্ণা দাস 299-302
- নলবাৰী অঞ্চলত পালন কৰা নাৰী কেন্দ্ৰিক উৎসৱ অনুষ্ঠান ঃ এটি আলোচনা
  ✍ কৃষ্ণা বৰ্মন 303-309
- যামিনী কুমাৰ বৰুৱাৰ 'নৌতন যুগেৰ পুৰাণি মানষি' উপন্যাসখনত প্ৰতিফলিত সমাজ জীৱনৰ চিত্ৰ
  ✍ ড° গোবিন্দ বৈশ্য 310-314
- সাম্প্ৰতিক অসমীয়া কবিতাৰ ভাষাত লোকজীৱনৰ প্ৰসংগ আৰু ৰূপবৈচিত্ৰ্য ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
  ✍ ড° চুমী কলিতা, বিভা ৰাণী নাথ 315-324
- স্নেহ দেৱীৰ গল্পত গ্ৰাম্য প্ৰকৃতিৰ চিত্ৰ
  ✍ ড° চাণক্য বৈশ্য 325-332
- অসমীয়া 'ৰামায়ণ'ত লোকসংস্কৃতিৰ অভিব্যক্তি
  ✍ চৈয়দা চায়েৰা বেগম 333-338

- নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
  ✍ ড° চুমী কলিতা, কৌশিক ঠাকুৰীয়া 339-348
- দৰং জিলাত প্ৰচলিত গুপ্তভাষা ঃ এক সমাজভাষাবৈজ্ঞানিক অধ্যয়ন
  ✍ জয়দেৱ শৰ্মা 349-361
- সমকালীন অসমীয়া ভাষাঃ এটি চমু অৱলোকন
  ✍ জোনালী কলিতা 362-368
- লুম্মেৰ দাইৰ 'কইনাৰ মূল্য' উপন্যাসৰ সামগ্ৰিক আলোচনা
  ✍ ডুলন মণি তালুকদাৰ, অজিত ভৰালী 369-380
- উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটক
  ✍ দেৱজ্যোতি শৰ্মা 381-390
- শংকৰদেৱৰ 'উত্তৰাকাণ্ড' আৰু বাংলা কবি কৃত্তিবাসৰ ৰামায়ণৰ 'উত্তৰকাণ্ড' ঃ এক তুলনামূলক আলোচনা
  ✍ ড° দীপকজ্যোতি মহন্ত 391-397
- অসমতাত্ত্বিক অধ্যয়নত পদ্মনাথ গোহাঞিবৰুৱাৰ ভূমিকা
  ✍ দেৱজিত শইকীয়া 398-407
- অসমৰ জাতীয় বস্ত্ৰ গামোচা ঃ আঁতি-গুৰি বিচাৰ
  ✍ ড° ধনেশ্বৰ কলিতা 408-412
- তিৱা জনগোষ্ঠীৰ ধৰ্মীয় পৰম্পৰাত লাংখুন পূজা ঃ এটি অধ্যয়ন
  ✍ ধীৰেশ্বৰ দাস 413-423
- ৰামচৰণ ঠাকুৰৰ 'কংসবধ নাটক'ৰ এটি আলোচনা
  ✍ নৱনীতা ৰায় 424-429
- জাতি-জনগোষ্ঠীৰ ঐক্যতাত ৰাজবংশী তিৰোতাসকলৰ মাজত পালিত লোকাচাৰ সমূহৰ এটি সমীক্ষা
  ✍ নিভাৰাণী দাস 430-434
- উনবিংশৰ পৰা বিংশ শতিকালৈ সৃষ্ট ভাৰতীয় শিশু সাহিত্যৰ জনপ্ৰিয় চৰিত্ৰ
  ✍ নীলাক্ষি দাস 435-440
- বেজবৰুৱাৰ শংকৰদেৱ-অধ্যয়ন
  ✍ ড° পংকজ শইকীয়া 441-447
- 'অসমীয়া আধুনিক গীতত নাৰীৰ আভাস'
  ✍ পিনাকী দাস 448-458
- অসমৰ ঢুলীয়া কৃষ্টি ঃ এটি চমু আলোকপাত
  ✍ ড° প্ৰণীতা মহন্ত 459-464
- অংকীয়া নাট আৰু মধ্যযুগীয় দক্ষিণ ভাৰতীয় লোকনাট্য ঃ এক আলোচনা
  ✍ পুষ্পাঞ্জলি ভূঞা, বৰষা দেৱী 465-472
- বড়ো ফকৰা-যোজনাত নাৰীৰ উপস্থাপন ঃ এক অধ্যয়ন

**PRATIBHA**
Volume : VII
Issue –VII, January - 2024
A Multilingual, Multidisciplinary,
Peer-Reviewed National Annual Journal
**ISSN-2349-5286**

# অসমৰ ঢুলীয়া কৃষ্টি ঃ এটি চমু আলোকপাত

**(দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টিৰ বিশেষ উল্লেখনসহ)**

**ডঃ প্ৰণীতা মহন্ত**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বিকালী মহাবিদ্যালয়

**সংক্ষিপ্তসাৰ ঃ**

অসমৰ লোকসংস্কৃতিৰ পথাৰখনত লোকনাট্যই এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। অঞ্চল বিশেষে লোকনাট্যৰ ৰূপ তথা উপস্থাপন শৈলী সুকীয়া। অসমৰ দক্ষিণ কামৰূপ অঞ্চলক বিভিন্ন লোকনাট্যই সমৃদ্ধ কৰি ৰাখিছে। সেইবোৰৰ ভিতৰত 'ঢুলীয়া কৃষ্টি' এটি উল্লেখনীয় জনপ্ৰিয় লোকনাট্যানুষ্ঠান। 'ঢুলীয়া কৃষ্টি'ক অনেকে 'ঢুলীয়া ভাওনা' আৰু 'ঢুলীয়া ছং' বুলিও কয়। শাক্ত, শৈৱ আৰু বৈষ্ণৱ আদি বিভিন্ন ধৰ্মীয় পন্থাৰ ভক্তিমূলক অনুষ্ঠানৰ লগত ঢোল-বাদ্য আৰু ঢুলীয়া কৃষ্টি জড়িত হৈ আছে। জন জীৱনৰ ব্যক্তিগত তথা ৰাজহুৱা উৎসৱ-পাৰ্বণৰ লগত এই ঢুলীয়া কৃষ্টিৰ সম্পৰ্ক অতি নিবিড়। পৰিতাপৰ বিষয় এই যে বৰ্তমান অৱস্থাত এই কৃষ্টিসমূহ কিছু পৰিমানে অৱহেলিত হৈ অহা যেন লাগে। বৰ্তমান যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচিৰো পৰিৱৰ্তন ঘটিছে আৰু নৱ প্ৰজন্ম অত্যাধুনিক বৈদ্যুতিক বাদ্যযন্ত্ৰৰ দ্বাৰা পৰিৱেশিত গীত-মাত তথা অনুষ্ঠানৰ প্ৰতি আকৰ্ষিত হোৱা দেখা গৈছে। ফলস্বৰূপে এনেবোৰ কলাই পূৰ্বৰ দৰে সমাদৰ নোপোৱা হৈছে। আমাৰ এই গৱেষণা পত্ৰখনত **'অসমৰ ঢুলীয়া কৃষ্টি ঃ এটি চমু আলোকপাত (দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টিৰ বিশেষ উল্লেখনসহ)'** শীৰ্ষনামেৰে দক্ষিণ কামৰূপত প্ৰচলিত ঢুলীয়া কৃষ্টিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দঃ**

লোকসংস্কৃতি, পৰিৱেশ্য কলা, লোকনাট্য, ঢুলীয়া কৃষ্টি, বৰঢোল।

**অৱতৰণিকা ঃ**

অসমৰ লোকসংস্কৃতিৰ পথাৰখনত লোকনাট্যই এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। অঞ্চল বিশেষে লোকনাট্যৰ ৰূপ তথা উপস্থাপন শৈলী সুকীয়া। অসমৰ দক্ষিণ কামৰূপ অঞ্চলক বিভিন্ন লোকনাট্যই সমৃদ্ধ কৰি ৰাখিছে। সেইবোৰৰ ভিতৰত 'ঢুলীয়া কৃষ্টি' এটি উল্লেখনীয় জনপ্ৰিয় লোকনাট্যানুষ্ঠান। 'ঢুলীয়া কৃষ্টি'ক অনেকে 'ঢুলীয়া ভাওনা' আৰু ' ঢুলীয়া ছং' বুলিও কয়। শাক্ত, শৈৱ আৰু বৈষ্ণৱ আদি বিভিন্ন ধৰ্মীয় পন্থাৰ ভক্তিমূলক অনুষ্ঠানৰ লগত ঢোল-বাদ্য আৰু ঢুলীয়া কৃষ্টি জড়িত হৈ আছে। জন জীৱনৰ ব্যক্তিগত তথা ৰাজহুৱা উৎসৱ-পাৰ্বণৰ লগত এই ঢুলীয়া কৃষ্টিৰ সম্পৰ্ক অতি নিবিড়।

এসময়ত সমগ্র দক্ষিণ কামৰূপৰ সমাজ জীৱনত উদ্‌যাপিত মনসা পূজা, দুৰ্গা পূজা, কালী পূজা, শৈৱ পূজা,দৌল উৎসৱ, সুঁৱৰী, গাঁৱলীয়া সভা, বিয়া আদি উৎসৱ-পাৰ্বণসমূহত'ঢুলীয়া কৃষ্টি' কলা প্ৰদৰ্শন অপৰিহাৰ্য আছিল। মাংগলিক কাৰ্য সমাপনৰ লগতে জনসাধৰণক আমোদ দিছিল। ইয়াৰ উপৰিও ঢুলীয়াৰ কৌতুকপূৰ্ণ ছং আৰু গীতসমূহে সমাজৰ পৰা অন্যায় অনীতিৰ বিৰুদ্ধেও এটা সৰৱ প্ৰতিবাদ কৰি গৈছিল। কিন্তু বৰ্তমান এনে কলাসমূহ অৱহেলিত হৱলৈ ধৰা পৰিলক্ষিত হৈছে। আমাৰ এই গৱেষণা পত্ৰখনত "অসমৰ ঢুলীয়া কৃষ্টি ঃ এটি চমু আলোকপাত (দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টিৰ বিশেষ উল্লেখনসহ)" শীৰ্ষনামেৰে দক্ষিণ কামৰূপত প্ৰচলিত ঢুলীয়া কৃষ্টিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

দক্ষিণ কামৰূপত প্ৰচলিত 'ঢুলীয়া কৃষ্টি'ৰ বিষয়ে বিশদভাৱে অধ্যয়ন হোৱা দৃষ্টিগোচৰ হোৱা নাই। বৰ্তমানলৈ যিখিনি অধ্যয়ন হৈছে সেয়া পৰ্যাপ্ত নহয়। এনে কলাবোৰ বৰ্তমানেও অসংৰক্ষিত অৱস্থাতে আছে। সেয়েহে অসংৰক্ষিত অৱস্থাতে থকা সমলসমূহ সংগ্ৰহ কৰি প্ৰণালীবদ্ধকৰণৰ জৰিয়তে সৰ্বসাধাৰণনক বিশেষকৈ নৱপ্ৰজন্মক ঢুলীয়া কৃষ্টিৰ প্ৰতি আকৃষ্ট কৰাই এই অধ্যয়নৰ ঘাই উদ্দেশ্য।

**অধ্যয়নৰ সমল সংগ্ৰহ ঃ**

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মুখ্য আৰু গৌণ দুয়োটা উৎসৰ পৰাই সমল সংগ্ৰহ কৰা হৈছে। মুখ্য উৎসৰ ভিতৰত অধ্যয়ন ক্ষেত্ৰলৈ গৈ সমলসমূহ সংগ্ৰহ কৰা হৈছে। গৌণ উৎসৰ ভিতৰত গৱেষণাধৰ্মী গ্ৰন্থ, প্ৰবন্ধ, আলোচনী আদিৰ সহায় লোৱা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা পত্ৰখন বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগেৰে যুগুত কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

এই গৱেষণা পত্ৰখনৰ অধ্যয়ন অসমৰ দক্ষিণ কামৰূপৰ ভিতৰতে সীমাবদ্ধ ৰখা হৈছে।

**আলোচনা ঃ**

অসমীয়া লোকসংস্কৃতিৰ ক্ষেত্ৰখনত লোকনাট্য হিচাপে ঢুলীয়া কৃষ্টিয়ে এক বিশিষ্ট আসন অধিকাৰ কৰি আহিছে। সৰ্বসাধাৰণৰ অৱসৰ-বিনোদনৰ মাধ্যম হিচাপেও ঢুলীয়া অনুষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাপুৰুষ শংকৰদেৱে অংকীয়া নাট সৃষ্টি কৰাৰ বহু পূৰ্বে ঢুলীয়া অনুষ্ঠানৰ দৰে লোকনাট্যধৰ্মী অনুষ্ঠানৰ প্ৰচলন আছিল বুলি জনা যায়। ঢুলীয়া অনুষ্ঠানৰ প্ৰধান বাদ্য হৈছে ঢোল বাদ্য। পণ্ডিতসকলৰ মতে ঢোল আদিবাদ্যযন্ত্ৰ আৰ্যেতৰসকলৰ দান আৰু পৰৱৰ্তী সময়ত ইয়াক 'সংস্কৃতকৰণ' কৰি লোৱা হয়।[১] অসমৰ ঢুলীয়া অনুষ্ঠানসমূহক প্ৰধানকৈ চাৰিটা ভাগত ভগাব পাৰি —

ক) উজনি অসমৰ ঢুলীয়া অনুষ্ঠান

খ) মধ্য অসমৰ ঢুলীয়া অনুষ্ঠান

গ) দৰং মঙ্গলদৈ অঞ্চলৰ ঢুলীয়া অনুষ্ঠান

ঘ) নামনি অসমৰ ঢুলীয়া অনুষ্ঠান।

উজনি অসমৰ ওজা ঢুলীয়া অনুষ্ঠানে ২৪ খন হাত চলনা কৃষ্টিৰে এটা ঐতিহাসিক পৰম্পৰা ৰক্ষা কৰি আহিছে। অবিভক্ত নগাঁও জিলাৰ ৰঙালী বিহু আৰু মাঘবিহু উপলক্ষে আয়োজন কৰা আকৰ্ষণীয় অনুষ্ঠান কুকুৰা যুঁজত পাতি ঢুলীয়াই ঢোল পৰিৱেশন কৰে। কুকুৰাযুঁজৰ উপৰি ম'হ যুঁজতো ঢোল বজোৱা হয়। ম'হযুঁজৰ অন্তত স্থানীয় ঢুলীয়াসকলৰ মাজত পথাৰত ঢুলীয়া প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।[২]অবিভক্ত দৰং জিলাৰ দুটা জনপ্ৰিয় ঢুলীয়া অনুষ্ঠান হৈছে জয়ঢুলীয়া

আৰু ঢেপা ঢুলীয়া। সুকনান্নি ওজাপালি আৰু দেওধনী নৃত্যৰ পৰিৱেশনৰ সময়ত জয়ঢুলীয়াই জয়ঢোল বজায়। বিয়া-সবাহ, পূজা-পাৰ্বণ আৰু মাংগলিক অনুষ্ঠানত ঢেপাঢুলীয়াই ঢুলীয়া অনুষ্ঠান পৰিৱেশন কৰে। ঢুলীয়া কৃষ্টিত অভিনয়, নৃত্য, গীত, বচন আৰু বাদ্য অপৰিহাৰ্য।

**দক্ষিণ কামৰূপৰ ঢুলীয়া অনুষ্ঠান ঃ**

দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টি অতিকৈ জনপ্ৰিয় এটি সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানটিয়ে দক্ষিণ কামৰূপৰ কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰখনত লোকনাট পৰম্পৰাৰ ধাৰাটো প্ৰবাহিত কৰি ৰাখিছে। ঢুলীয়া কৃষ্টিত লোকনৃত্য আৰু লোকাভিনয় থাকে। এসময়ৰ দক্ষিণ কামৰূপৰ কেইটামান জনপ্ৰিয় ঢুলীয়া দল হৈছে- টাঙানপাৰা ঢুলীয়া দল, কাঁহাৰ পেৰীয়া ঢুলীয়া দল, চেঁচা ঢুলীয়া দল, পাটগাঁও ঢুলীয়া দল, ধনীপাৰা ঢুলীয়া দল, বাগান ঢুলীয়া দল, মাটেইখাৰ ঢুলীয়া দল, চল্লী ঢুলীয়া দল, শালবাৰী ঢুলীয়া দল, আলিহা ঢুলীয়া দল আদি।

দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টি লোক পৰম্পৰাত চলি অহা অনুষ্ঠান বাবে ইয়াৰ প্ৰাচীন লিখিত ইতিহাস লিখিত ৰূপত পোৱা হোৱা নাই। অতি প্ৰাচীন কালৰ পৰাই এই কলাৰ চৰ্চা দক্ষিণ কামৰূপৰ অঞ্চল বিশেষত প্ৰচলিত হৈ আছে। ঢুলীয়া অনুষ্ঠান চহা জীৱনৰ অনুষ্ঠান। অশিক্ষিত গাৱঁলীয়া লোকে ইয়াৰ ধাৰক-বাহক হিচাপে কাম কৰি আহিছে। লোকপৰম্পৰাত এই লোককৃষ্টি মাঙ্গলিক দিশত যিমান আদৰণীয় লোকৰঞ্জক অনুষ্ঠান হিচাপেও সমানেই আদৰণীয়। দক্ষিণ কামৰূপৰ সভাগোৱা ঢুলীয়া দলবোৰৰ নিজস্ব বৈশিষ্ট্য আৰু সুকীয়া মৰ্যদা আছে। সভা গোৱা ঢুলীয়াই দুই প্ৰকাৰৰ পৰিৱেশ্য কলা পৰিৱেশন কৰে। প্ৰথমে 'ঢোলবাদন' আৰু তাৰ পিছত 'লোকনাট্য' প্ৰদৰ্শন। ইয়াৰ মাজতে কোনো কোনো ঢুলীয়া দলে 'কুষ্টি' প্ৰদৰ্শন কৰে। ঘাই ঢুলীয়াৰ নেতৃত্বত ঢুলীয়াসকলে ঢোল বাদ্যৰ জৰিয়তে নাটৰ প্ৰস্তাৱনাৰ কাম সমাপন কৰে। ইয়াকে 'জাগেনি দিয়া' বুলি কোৱা হয়। জাগেনিৰ পিচত ঢুলীয়াসকলে নাচি নাচি বাজনা বজায় আৰু সূত্ৰধাৰে সভাবন্দনা গাই শুনায়। সভা বন্দনাৰ পিচৰ পৰ্ব হৈছে খৰ বা কুষ্টি অনুষ্ঠান। কুষ্টি বা খৰদিয়া অনুষ্ঠানটি লৌকিকতাৰে পৰিপূৰ্ণ এটি অতি মনোৰম অনুষ্ঠান। বিভিন্ন প্ৰকাৰৰ খৰ, যেনে- ঠিয় খৰ, ওলোটা খৰ, আলগা খৰআদি খৰ প্ৰদৰ্শন কৰি দৰ্শকক আমোদ দিয়ে। ইয়াৰ লগতে শৰীৰ চৰ্চা বিষয়ক শক্তি পৰীক্ষাৰ খেলো দেখুৱায়। পৰৱৰ্তী সময়ত ঢুলীয়া দলে নাট পৰিৱেশন কৰিবলৈ ধৰে। ইয়াকে 'ঢুলীয়াৰ ছং' বুলি কোৱা হয়। 'ছং' বোৰৰ কাহিনী আছে যদিও ভাৱৰীয়াসকলে পৰিৱেশৰ লগত মিলাই দৰ্শকক হাস্যৰস দিব পৰা বহু কথা নিজাকৈ সংযোগ কৰি দিয়ে। এনেকৈ সভা গোৱা ঢুলীয়া দলৰ পৰিৱেশনত গীত, নৃত্য, বাদ্য আৰু অভিনয়ৰ সমাহাৰ দেখা যায়।

দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টি সন্দৰ্ভত শ্ৰী ধনেশ্বৰ কলিতাই এনেদৰে মন্তব্য কৰিছে— ' আমোদ-প্ৰমোদকেই মুখ্য কৰি লোৱা দক্ষিণ কুলীয়া সেই ঢুলীয়া দলবোৰে আৰ্থিক কোনো লাভৰ বিনিময়ত তেনেদৰে ভাও দি ফুৰা নাছিল। মনৰ অবিমল আনন্দৰ বাবে এসাজ লঘোণে থকা অৱস্থাতো মুখত এমোকোৰা হাঁহি লৈ সভাই সভাই ঘূৰি ফুৰিছিল।'[৩]

**ঢুলীয়া দল গঠন ঃ** একোটা সভা গোৱা ঢুলীয়া দলত ৪০/৫০ জনলৈ মানুহ থাকে। এই লোকবোৰৰ ভিতৰত ঢুলীয়া, গায়ন, বায়ন, তালুৰৈ, ভাৱৰীয়া, আৰিয়াধৰা, কুষ্টিপৰিৱেশক, অভিনয় বা ছং প্ৰদৰ্শনকাৰী লোক থাকে। ঢুলীয়া দলটোৰ আটাইবোৰ শিল্পীয়ে পূৰুষ। নাৰীৰ ভাও পূৰুষেই দিয়ে।

**পৰিৱেশন থলী ঃ** ঢুলীয়া অনুষ্ঠান পৰিৱেশন কৰিবলৈ কোনো ধৰণৰ জাক-জমকতাপূৰ্ণ মঞ্চৰ প্ৰয়োজন নহয়। সৰ্বসাধাৰণ ৰাইজে কোনো অনুষ্ঠান উপলক্ষে আয়োজন কৰা ৰাজহুৱা ৰভাতলীৰ মাজৰ বৃত্তাকাৰ ঠাইডোখৰকে মঞ্চ হিচাপে লৈ অনুষ্ঠান পৰিৱেশন কৰে। বৰ্তমান ৰংগমঞ্চতো অনুষ্ঠান পৰিৱেশন কৰা দেখা যায়।

**আ-অলংকাৰ ঃ** ঢুলীয়া দলৰ শিল্পীসকলে আ-অলংকাৰ হিচাপে হাতত খাৰু, কাণত কেৰু, ডিঙিত মণি পৰিধান কৰে।

অলংকাৰবোৰৰ বেচিভাগে বাঁহেৰে নিৰ্মাণ কৰা অলংকাৰ। প্ৰসাধন হিচাপে চাউলৰ গুড়ি, হালধি, ছাই, মাটি, চুণ আদি ব্যৱহাৰ কৰে। বৰ্তমান বজাৰত পোৱা আ-অলংকাৰ আৰু প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰা দেখা যায়।

**নাট ভাওনা ঃ** ঢুলীয়া দলৰ নাটকক 'ভাওনা' বা 'ছং' বোলা হয়। ই সম্পূৰ্ণ হাস্যৰস প্ৰধান আৰু চহা ৰূপত প্ৰদৰ্শন কৰা লোকনাট্যানুষ্ঠান। পূৰ্বতে ইয়াত কোনো লিখিত নাটক নাছিল। পৌৰাণিক কাহিনী একো একোটাক গঞা ৰাইজে জনা মতে থিতাতে চৰিত্ৰৰ ভাও দি নাট ৰূপে পৰিৱেশন কৰিছিল। ভাষা সম্পূৰ্ণ কথিত ৰূপৰ আৰু বচনবোৰ ভাওৰীয়াসকলে নিজেই সজাই-পৰাই কৈ যায়। তেওঁলোকৰ প্ৰধান উদ্দেশ্য হৈছে বচনবোৰ শুনি যাতে দৰ্শকে হাঁহিৰ খোৰাক পাব পাৰে। পৌৰাণিক কাহিনীৰ ভিতৰত খটাসুৰ বধ, দ্ৰোপদীৰ বস্ত্ৰহৰণ, সীতাৰ বনবাস ইত্যাদি। তদুপৰি স্থানীয় পৰিৱেশক লৈ ৰচনা কৰা নাট হ'ল বাঘ চিকাৰ, ভেৰাকান্ত আৰু কেৰাকান্তৰ কাজিয়া ইত্যাদি। বৰ্তমান লিখিত আৰু ছপা ৰূপতো নাট পোৱা যায়।

**ঢুলীয়াৰ সাজ-সজ্জা আৰু মুখা ঃ** সভা গোৱা ঢুলীয়াসকলে বিচিত্ৰ সাজপাৰ পৰিধান কৰে। ঘাই ঢুলীয়াসকলে হাতত আৰু ডিঙিত ৰঙা কাপোৰ পৰিধান কৰে আৰু গাত ৰঙ-বিৰঙৰ কাপোৰ আৰু মৰাপাটৰ বস্তাৰ চোলা পিন্ধে। তেওঁলোকে মূৰত গামোচাৰ পাগুৰি বা দীঘলীয়া টুপী পিন্ধে। তালুৰৈসকলেও অনুৰূপ পোছাক পিন্ধে। ঢুলীয়া দলৰ সকলো সদস্যই কপালত ফোঁট লয়। ঢুলীয়া দলত দুজন বহুৰা চৰিত্ৰও থাকে। থৈলা বা বস্তাৰ পোছাক পিন্ধি মূৰত পাগুৰি মাৰি এই দুই চৰিত্ৰই দৰ্শক ৰাইজক মুহিব পাৰে। ঢুলীয়া ভাওনাৰ মুখাবোৰ গছ-গছনি, বাঁহৰ মূঢ়া আদিৰ পৰা কাটি উলিয়াই অভিনয়ত প্ৰয়োগ কৰি দৰ্শকক আমোদ দিয়ে।

**পোহৰৰ ব্যৱস্থা ঃ** প্ৰাচীন কালত ঢুলীয়া দলৰ কোনো প্ৰদৰ্শন যদি ৰাতি অনুষ্ঠিত হৈছিল তেতিয়া ভোটা বা আৰিয়া জ্বলাই পোহৰৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমান বিজুলী চাঁকিৰে পোহৰৰ ব্যৱস্থা কৰা দেখা যায়। অৱশ্যে পূৰ্বৰ ৰীতিৰ প্ৰতি সন্মান জনাই বৰ্তমানো কোনো কোনো ঢুলীয়া দলে আৰিয়াৰ ব্যৱস্থা কৰে। এনে দলত আৰিয়া ধৰাজনে অনুষ্ঠান আৰম্ভ কৰাৰ সময়ত এটা আৰিয়া মঞ্চৰ চাৰিওফালে এপাক ঘূৰায়।[৪]

**বাদ্যযন্ত্ৰ ঃ** ঢুলীয়া অনুষ্ঠানত ব্যৱহৃত বাদ্যযন্ত্ৰৰ ভিতৰত প্ৰধানকৈ ঢোল আৰু তাল অন্যতম। দক্ষিণ কামৰূপৰ ঢুলীয়া দলসমূহে বৰঢোল আৰু পাতি ঢোল ব্যৱহাৰ কৰে। বৰঢোল বা ঘাই ঢোলৰ বেৰখন ৫/৬ ইঞ্চি আৰু দীঘলে ৫ফুট। সৰু ঢোলৰ বা পাতি ঢোলৰ বেৰখন ৩/৪ ইঞ্চি আৰু দীঘলে ৩ফুট।[৫] ঢোলবোৰৰ এটা মূৰ ডাঙৰ আৰু আনটো মূৰ ক্ৰমে সৰু। ঢুলীয়া দলে ঢোলৰ উপৰি তাল, কাঁহৰ ঘণ্টা আৰু কালিয়া ব্যৱহাৰ কৰে।

**সাংগীতিক দিশ ঃ** দক্ষিণ কামৰূপৰ ঢুলীয়া কৃষ্টিয়ে আৰম্ভণিৰ পৰা শেষলৈ এক সংগীতময় পৰিৱেশৰ মাজতে অনুষ্ঠান পৰিৱেশন কৰে। ঢুলীয়াই ঢোল বাদনেৰে এক সংগীতময় পৰিৱেশৰ সৃষ্টি কৰি লয়। ঢুলীয়াৰ ঢোলৰ ছেৱে ছেৱে তালুৰৈয়ে তালৰ বাদি আৰু গায়নে গীত গাই আৰু বহুৱাই অংগী-ভংগী প্ৰদৰ্শন কৰে। ঢুলীয়াসকলে সংগীত পৰিৱেশন কৰোতে ঘাই ঢুলীয়াজনে গীত লগাই দিয়ে আৰু বাকী পালি ঢুলীয়া আৰু তালুৰৈসকলে বাদ্য বজাই বজাই গীতবোৰ দোহাৰি গৈ থাকে। ঢুলীয়া দলটিয়ে খলাত প্ৰথম প্ৰৱেশ কৰি গুৰু বন্দনা গায়--

গুৰুকে পৰণাম কৰু,দুই চৰণে ধৰু।
গুৰুৰ চৰণত আমি,পেটফালা খাই পৰু।
গুৰুসকলৰ দাস, ক'বা নাপাও সাহ।
গুৰুসকলৰ বন্দী, ক'বা নাপাও সন্ধি।
গুৰুসকলৰ চোলা,আপীমাখাৰ মুখ মেলা।[৬]

কৃষিজীৱি লোকৰ সৈতে সম্বন্ধ ৰাখি 'হালৰ গীত' আৰু নাৰীৰ জীৱনৰ লগত সম্বন্ধ থকা গীতো তেওঁলোকে

পৰিৱেশন কৰে। এনে এফাঁকি গীত হৈছে----

আজিও চানমাই, কালিও চানমাই ঐ।
অ' চানমাই তিয়াঁহৰ জালি নাৰ ঐ।
চানমাই আকালাই ওলালি ঐ।
সৰুতে সোৰ্‌কাকাই জাখে বুই দিছিলি ঐ।
পুৰান মাছ মাৰিবাক লাগি নাৰ ঐ।
চানমাই আকালাই ওলালি ঐ।[৭]

ঢুলীয়া দলে গোৰা গীতবোৰত চহালোকৰ মুক্ত স্ফুৰণৰ চানেকি বিদ্যমান। অনুষ্ঠানৰ শেষত সকলোৰে 'অপৰাধ বিনাশন' বন্দনাৰে অনুষ্ঠানৰ সামৰণি মাৰে।

**সামৰণি ঃ**

ঢুলীয়া কৃষ্টিৰ প্ৰভাৱ সমাজ জীৱনত সুদূৰপ্ৰসাৰী। প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে সমাজ জীৱনলৈ পৰিৱৰ্তন অনাৰ লগে লগে লোকনাটসমূহতো পৰিৱৰ্তনৰ আঁচোৰ পৰিছে। আধুনিক সমাজত পৰম্পৰাগত অনুষ্ঠানসমূহ ৰূপান্তৰ ঘটি দ্বিতীয় অস্তিত্বত জীয়াই আছে। এইবোৰ বৰ্তমান দূৰদৰ্শন, আকাশবাণী, কেছেট আদিৰ মাধ্যমেৰে জীয়াই আছে। ঢুলীয়া কৃষ্টিও ইয়াৰ ব্যতিক্ৰম নহয়। কামৰূপৰ ঢুলীয়া কৃষ্টি সমগ্ৰ অসমৰ লোকসংস্কৃতিৰ এবিধ অমূল্য সম্পদ। বৈচিত্ৰৰ মাজত ঐক্য স্থপন কৰা, জাতি-জনজাতিৰ মাজত সাংস্কৃতিক সমন্বয় ৰক্ষা কৰাত ঢুলীয়া কৃষ্টিৰ দৰে অনুষ্ঠানৰ গুৰুত্ব অসীম। কিন্তু পৰিতাপৰ কথা এই যে বৰ্তমান এই কৃষ্টি যেন এক সন্ধি ক্ষণত উপনীত হৈছে। যুগৰ পৰিৱৰ্তন তথা বিশ্বায়নৰ প্ৰভাৱৰ বাবে মানুহৰ ৰুচি-অভিৰুচিৰো পৰিৱৰ্তন ঘটিবলৈ ধৰিলে । ফলস্বৰূপে এনেবোৰ কলা অৱহেলিত হ'ব ধৰিছে। নৱপ্ৰজন্ম এই ক্ষেত্ৰত বিশেষ সচেতন নহয় যেন অনুমান হয়। সময় থাকোতে এই কৃষ্টিসমূহ পুনৰুদ্ধাৰ তথা সংৰক্ষণৰ ব্যৱস্থা নকৰিলে কালৰ কুটিল গ্ৰাসত এই আপুৰুগীয়া কলাবিধ হেৰাই যাব। সংস্কৃতিপ্ৰেমী বেচৰকাৰী সংগঠনৰ সহায় সহযোগিতা তথা চৰকাৰী পৃষ্ঠপোষকতা পালেহে অনুষ্ঠানটো পুনৰ থন ধৰি উঠিব বুলি আশা কৰিব পাৰি।

**পাদটীকা ঃ**

১. শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃ. ৩৬৫
২. বৰুৱা দাস, দীপামণি (সম্পা)ঃ অসমৰ লোক পৰিৱেশ্য কলা ,প্ৰথম খণ্ড , পৃ. ২৫৯
৩. কলিতা, শ্ৰী ধনেশ্বৰ ঃ দক্ষিণ কামৰূপৰ জনকৃষ্টি আৰু বিশেষ নিৰ্বাচিত প্ৰৱন্ধ, দক্ষিণ কামৰূপৰ ঢুলীয়া অনুষ্ঠান, পৃ. ২৩
৪. শ্ৰীবিষ্ণু ৰাভা, ধনীপাৰা, দক্ষিণ কামৰূপ
৫. শ্ৰীদেৱজিৎ ৰাভা, মিৰ্জাঘাট, দক্ষিণ কামৰূপ
৬. শ্ৰীবিষ্ণু ৰাভা, ধনীপাৰা, দক্ষিণ কামৰূপ
৭. শ্ৰীমথুৰা ৰাভা, ধনীপাৰা, দক্ষিণ কামৰূপ

**গ্ৰন্থপঞ্জীঃ**


- কলিতা, শ্ৰীধনেশ্বৰ ঃ দক্ষিণ কামৰূপৰ জনকৃষ্টি আৰু বিশেষ নিৰ্বাচিত প্ৰৱন্ধ, জিজ্ঞাসা প্ৰকাশন, মিৰ্জা, প্ৰথম প্ৰকাশ, ২০১৫
- খাখলাৰী, জ্ঞানশংকৰ ঃ লোকসংস্কৃতিত এভুমুকি, সেউজী প্ৰকাশন, ধূপধৰা, প্ৰথম প্ৰকাশ, ১৯৯০

- দাস, দীপামণি (সম্পা)ঃ অসমৰ লোক পৰিৱেশ্য কলা, প্ৰথম খণ্ড, পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৮
- নাথ, অনিল কুমাৰ ঃ ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপৰ সাহিত্য আৰু সংস্কৃতি, অংকিতা প্ৰকাশ, দ্বিতীয় সংকলন, ২০০২
- শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৯
- শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ ভাৰতৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, বনলতা, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৯


**সংবাদ দাতা ঃ**

- শ্ৰীদেৱজিৎ ৰাভা, মিৰ্জাঘাট, দক্ষিণ কামৰূপ
- শ্ৰীধনেশ্বৰ কলিতা, মিৰ্জা, দক্ষিণ কামৰূপ
- শ্ৰীবিষ্ণু ৰাভা, ধনীপাৰা, দক্ষিণ কামৰূপ
- শ্ৰীভুবিন ৰাভা, মানিকপুৰ,দক্ষিণ কামৰূপ
- শ্ৰীমথুৰা ৰাভা, ধনীপাৰা, দক্ষিণ কামৰূপ